**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::::**

১। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই নতুন দিল্লীত আজি অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকলৰ আনুষ্ঠানিকীকৰণ আৰু সামাজিক সুৰক্ষা বিষয়ক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ উদ্বোধন কৰিব।

২। ছুইজাৰলেণ্ডৰ ডাভোছত ৫৫ সংখ্যক বিশ্ব অৰ্থনৈতিক মঞ্চৰ বাৰ্ষিক সভা আজি আৰম্ভ হ'ব।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কালি কৈছে যে, ইজৰাইল আৰু পেলেষ্টাইনী উগ্ৰপন্থী হামাছৰ মাজত যুদ্ধ বিৰতি চুক্তি সম্পাদিত হোৱাৰ পাছত গাজাত বন্দুকৰ শব্দ নোহোৱা হৈছে। **আৰু**

৪। প্ৰথমবাৰলৈ অনুষ্ঠিত খো খো বিশ্বকাপৰ পুৰুষ আৰু মহিলা উভয় শাখাতেই চেম্পিয়নৰ খিতাপ অৰ্জন কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে।

০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই নতুন দিল্লীত আজি অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকলৰ আনুষ্ঠানিকীকৰণ আৰু সামাজিক সুৰক্ষা বিষয়ক দুদিনীয়া আলোচনা চক্ৰ সন্মিলন উদ্বোধন কৰিব। এই আলোচনা চক্ৰৰ মূল উদ্দেশ্য হৈছে অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকললৈ সামাজিক সুৰক্ষাৰ বাবে অংশীদাৰিত্বৰ সামৰ্থ বৃদ্ধি কৰা। এই আলোচনা চক্ৰত নীতি নিৰ্ধাৰক, সামাজিক নিৰাপত্তা প্ৰশাসক আৰু এছিয়া-পেচিফিক অঞ্চলৰ দেশসমূহৰ সামাজিক নিৰাপত্তা সংগঠনৰ বিশেষজ্ঞসকলকে ধৰি অংশীদাৰিত্ব গোটক একত্ৰিত কৰা হ'ব। ১৫০তকৈও অধিক অংশগ্ৰহণকাৰীয়ে এই আলোচনা চক্ৰত অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকলৰ সামাজিক নিৰাপত্তা আৰু অংশীদাৰিত্ব বঢ়োৱাৰ ক্ষেত্ৰত কৌশল আৰু সমাধান আগবঢ়াব।

০০০০০

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই কয়, যে ৰাজৌৰী জিলাৰ বাধল গাঁৱত যোৱা ৪৫ দিনত ১৭ জন লোকৰ অস্বাভাৱিক মৃত্যুৰ প্ৰকৃত কাৰণ উদ্ধাৰৰ প্ৰচেষ্টা চলাই থকা হৈছে। শ্ৰীসিনহাই কয়, যে স্বাস্থ্য আৰু অন্যান্য বিভাগৰ যুটীয়া অনুসন্ধান চলি আছে যদিও এই মৃত্যুৰ প্ৰকৃত ৰহস্য উদঘাটন কৰিব হোৱা নাই। আৰক্ষীয়ে এই মৃত্যুৰ প্ৰকৃত কাৰণ উদঘাটনৰ বাবে ১১ জনীয়া বিশেষ অনুসন্ধানকাৰী দল গঠন কৰিছে। ইতিমধ্যে আন্তঃ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় দলে স্থানীয় প্ৰশাসনৰ সহযোগত অনুসন্ধান আৰম্ভ কৰিছে। আন্তঃ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় দলটো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, কৃষি মন্ত্ৰালয় আদিকে ধৰি কেইবাটাও মন্ত্ৰালয়ৰ বিশেষজ্ঞৰে গঠন কৰা হৈছে। এই দলটোক পশুপালন বিভাগ, খাদ্য সুৰক্ষা আৰু ফৰেনচিক বিজ্ঞান গৱেষণাগাৰৰ বিশেষজ্ঞসকলে সহযোগিতা আগবঢ়াইছে।

০০০০০

ছুইজাৰলেণ্ডৰ দাভোছত আজি ৫৫ সংখ্যক বিশ্ব অৰ্থনৈতিক মঞ্চৰ বাৰ্ষিক সভা আৰম্ভ হ'ব। পাঁচদিনীয়া কাৰ্যসূচীত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ লগতে কেন্দ্ৰীয় আৰু কেন্দ্ৰ ৰাজ্য মন্ত্ৰীসকল ক্ৰমে চি আৰ পাটিল, কে ৰামমোহন নাইডু, চিৰাগ পাছোৱান আৰু জয়ন্ত চৌধুৰীয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিব। গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত ভাৰতৰ উল্লেখনীয় বিকাশে সম্প্ৰতি সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু বিশ্ব মঞ্চত ভাৰতক আগশাৰীৰ স্থান দিছে। ভাৰতৰ এই বিকাশ তথা ডিজিটেল বিপ্লৱৰ বিষয়ে এইবাৰৰ বাৰ্ষিক সভাত বিশেষ গুৰুত্ব লাভ কৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

দিল্লী বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে মুঠ ৭১৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। নতুন দিল্লী বিধানসভা আসনখনৰ বাবে সৰ্বাধিক ২৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। পেটেল নগৰ আৰু কস্তুৰবা নগৰৰ আসন দুখনৰ বাবে ৫ গৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়াই জনোৱা মতে মুঠ এহেজাৰ ৫২২ খন মনোনয়ন পত্ৰৰ ভিতৰত ৪৭৭ খন মনোনয়ন বাতিল হৈছে। দিল্লী বিধানসভাৰ বাবে অহা ৫ ফেব্ৰুৱাৰীত ভোটগ্ৰহণ আৰু ৮ ফেব্ৰুৱাৰীত ভোট গণনা কৰা হ'ব।

০০০০০

ভাৰতীয় ডাক বিভাগে ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি নতুন দিল্লীত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। যোগাযোগ মন্ত্ৰালয়ে সদৰি কৰা অনুসৰি ৰাষ্ট্ৰীয় ডাক টিকট সংগ্ৰহালয়ত তিনিদিনীয়া কাৰ্যসূচীৰ এই অনুষ্ঠানৰ জৰিয়তে সংবিধানত লিপিবদ্ধ প্ৰমূল্যসমূহ প্ৰতিফলিত কৰাৰ লক্ষ্য লোৱা হৈছে। তদুপৰি নাগৰিকসকলৰ মনত ৰাষ্ট্ৰীয় গৌৰৱ তথা একতাৰ মনোভাৱ জগাই তোলাৰ উদ্দেশ্যে প্ৰদৰ্শনী, কুইজ আদি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **পথ সুৰক্ষা নিশ্চিতকৰণ** সন্দৰ্ভত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মেহমুদ আহমেদ আৰু পৰিবহণ বিশেষজ্ঞ অনিল চিকাৰাৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আমাৰ ৱেৰছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পোৱা যাব।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কালি কৈছে যে, ইজৰাইল আৰু পেলেষ্টাইনী উগ্ৰপন্থী হামাছৰ মাজত যুদ্ধ বিৰতি চুক্তি সম্পাদিত হোৱাৰ পাছত গাজাত বন্দুকৰ শব্দ নোহোৱা হৈছে। তেওঁ কয়, যে বাইডেন প্ৰশাসনে যোৱা মে' মাহতে যুদ্ধ বিৰতি চুক্তিৰ ৰূপৰেখা তৈয়াৰ কৰিছিল আৰু ইয়াৰ আধাৰত পৰৱৰ্তী প্ৰশাসনে এই চুক্তি ৰূপায়ণৰ লগতে বন্দী মুক্তিৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব। ইজৰাইল আৰু হামাছৰ মাজত কালি

সম্পাদিত যুদ্ধ বিৰতি চুক্তিৰ পাছতেই হামাছে তিনিগৰাকী মহিলা পনবন্দীক মুকলি কৰি দিয়ে। মধ্য প্ৰাচ্যত কোনো বৃহৎ যুদ্ধ অবিহনে কেৱল বুজাবুজিৰ মাজেৰে এই যুদ্ধ বিৰতি চুক্তি সম্পাদিত হৈছে। এই চুক্তিক আগুৱাই লৈ যোৱাটো এতিয়া পৰৱৰ্তী প্ৰশাসনৰ দায়িত্ব বুলিও বাইডেনে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে জ' বাইডেনৰ আজি কাৰ্যকালৰ অন্ত পৰিব আৰু নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কাৰ্যভাৰ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ড'নাল্ড ট্ৰাম্প হ'ব আমেৰিকাৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতি।

০০০০০

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাই ইয়াৰ সদস্যসকলৰ ব্যক্তিগত তথ্য পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া সৰল কৰি তুলিছে। সাৰ্বজনীন একাউণ্ট নম্বৰ আধাৰৰ জৰিয়তে সংযুক্ত কৰি বৈধ বিবেচিত সদস্যসকলে নিজৰ তথ্য যেনে জন্মৰ তাৰিখ, লিংগ, ৰাষ্ট্ৰীয়তা, পিতৃ-মাতৃৰ নাম, চাকৰিত যোগদান আৰু অৱসৰৰ তাৰিখ আদি তথ্যৰ প্ৰতিলিপি দাখিল নকৰাকৈ উন্নীত কৰিব পাৰে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই ব্যৱস্থাই আবেদন বিবেচনাধীন হৈ ৩ লাখ ৯০ হাজাৰ সদস্যক উপকৃত কৰিব। মন্ত্ৰালয়ে লগতে কয়, যে কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাৰ তথ্য ভাণ্ডাৰত সংগৃহীত সদস্যসকলৰ ব্যক্তিগত তথ্যসমূহৰ শুদ্ধতা আৰু সামঞ্জস্য ৰক্ষা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণ ইয়াৰ দ্বাৰাহে নিয়াৰিকৈ সেৱা প্ৰদান কৰাটো সম্ভৱ হৈ উঠে। অৱশ্যে ২০১৭ চনৰ ১ অক্টোবৰৰ পূৰ্বে সাৰ্বজনীন একাউণ্ট নম্বৰ লাভ কৰা সকলৰ তথ্য উন্নীতকৰণৰ ক্ষেত্ৰত নিয়োগকৰ্তাৰ দ্বাৰা প্ৰত্যায়িতকৰণ নাইবা প্ৰমাণ পত্ৰ প্ৰদানৰ প্ৰয়োজন হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

বলীউদ অভিনেতা ছেইফ আলী খানৰ আক্ৰমণৰ গোচৰত মুম্বাইৰ এখন আদালতে অভিযুক্ত বাংলাদেশৰ নাগৰিক শ্বৰিফুল ইছলাম ছেহজাদক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। অভিনেতাজনৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনা আন্তঃৰাষ্ট্ৰীয় ষড়যন্ত্ৰ বুলি উল্লেখ কৰি অভিযুক্তজনক ১৪ দিনৰ জিম্মাত বিচৰা হৈছিল যদিও আদালতে ৫ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ দিয়ে। উল্লেখযোগ্য যে ছেইফ আলী খানক আক্ৰমণ কৰাৰ অভিযোগত মুম্বাই আৰক্ষীয়ে বাৰ আৰু ৰেষ্টুৰেণ্টৰ কৰ্মচাৰীৰূপে কৰ্মৰত অভিযুক্তজনক কালি থানেত গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সূত্ৰই আগলি বতৰা মতে, অহা ৫ দিনত পশ্চিম হিমালয়, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত বৰষুণ হোৱাৰ লগতে বৰফ পৰাৰ সম্ভাৱনা আছে। সূত্ৰটোৱে আৰু জনোৱা মতে, অহা বুধ আৰু বৃহস্পতিবাৰে পাঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশৰ পশ্চিমাঞ্চল, ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল আৰু উত্তৰ ৰাজস্থানতো বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

প্ৰথমবাৰলৈ অনুষ্ঠিত খো খো বিশ্বকাপৰ পুৰুষ আৰু মহিলা উভয় শাখাতেই চেম্পিয়নৰ খিতাপ অৰ্জন কৰি ভাৰতে ইতিহাস ৰচনা কৰিছে। ভাৰতীয় পুৰুষ দলটোৱে ফাইনেলত নেপালক ৫৪-৩৬ পইণ্টৰ ব্যৱধানত আৰু মহিলা দলে নেপালকেই ৭৮-৪০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে।

ইয়াৰ পূৰ্বে প্ৰতিযোগিতাত অদমনীয় প্ৰদৰ্শনেৰে ভাৰতৰ পুৰুষ দলটোৱে গ্ৰুপ পৰ্যায়ত ব্ৰাজিল, পেৰু আৰু ভূটানক বৃহৎ ব্যৱধানত তথা কোৱাৰ্টাৰ ফাইনেলত বাংলাদেশক আৰু ছেমি ফাইনেলত শক্তিশালী দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰিছিল। ইপিনে মহিলা দলটোৱেও গ্ৰুপ পৰ্যায়ত দক্ষিণ কোৰিয়া, ইৰাণ আৰু মালয়েছিয়াক

পৰাস্ত কৰাৰ উপৰি কোৱাৰ্টাৰ ফাইনেলত বাংলাদেশক আৰু ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু, ওড়িশাৰ ক্ৰীড়া মন্ত্ৰী সূৰ্যবংশী সূৰজকে ধৰি আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি প্ৰতিযোগিতাৰ ফাইনেল খেল উপভোগ কৰিবলৈ উপস্থিত থাকে।

ভাৰতীয় দলৰ এই জয়ৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ মহিলা দলটোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই বিজয় ঐতিহাসিক বুলি অভিহিত কৰি ভাৰতৰ পৰম্পৰাগত খেল-ধেমালিৰ অধিক প্ৰচাৰ হোৱাৰ উপৰি ইয়াৰ জৰিয়তে যুৱ-প্ৰজন্ম যথেষ্ট উৎসাহিত হ'ব বুলি আশা প্ৰকাশ কৰে।

ooooo

মহিলা হকী ইণ্ডিয়া লীগৰ এখন খেলত কালি নিশা ওড়িশা ৱাৰিয়ৰ্ছে- শ্ৰাচী ৰাড় বেংগল টাইগাৰ্ছক ৩-১ গ'লত পৰাস্ত কৰে। ৰাউৰকেলাৰ বীৰচা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৱাৰিয়ৰ্ছৰ হৈ মিচেল ফিলেক, য়িবিব জানচেন আৰু নেহা গোৱেলে গ'ল কৰাৰ বিপৰীতে বেংগল টাইগাৰ্ছৰ হৈ উদিতাই এটা গ'ল কৰে। এই জয়ৰ জৰিয়তে ৮ পইণ্টেৰে ৱাৰিয়ৰ্ছ পইণ্ট তালিকাৰ শীৰ্ষত আৰোহণ কৰিছে।

ইপিনে পুৰুষ হকী ইণ্ডিয়া লীগত কালি কলিংগা লেন্সাৰ্ছে পেনাল্টি শ্বুটআউটত দেলহী এছ জি পাইপাৰ্ছক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰথমাৰ্ধত ১-৪ৰ ব্যৱধানত পিছ পৰি থাকিও দলটোৱে দুৰ্দান্ত প্ৰদৰ্শনেৰে সমতা স্থাপন কৰি পেনাল্টি শ্বুটআউটত জয়ী হ'বলৈ সক্ষম হয়।

ooooo

সমাপ্ত